# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

**Vol. XXVII** YEAR OF OUR LORD JESUS CHRIST, 2026 AUGUST **No. 02**


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

### গীতমালা ১৩৬:১-১০

১। যিহোৱাৰ ধন্যবাদ কৰা, কিয়নো তেওঁ মঙ্গলময়, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে।

২। ঈশ্বৰবিলাকৰো ঈশ্বৰৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে।

৩। প্ৰভুবিলাকৰো প্ৰভুৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে।

৪। যি জনাই অকলে মহৎ মহৎ আচৰিত কৰ্ম কৰে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে।

৫। যি জনাই জলসমূহৰ ওপৰত ভূ-মণ্ডল বিস্তাৰ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে।

৬। যি জনাই জলসমূহৰ ওপৰত ভূ-মণ্ডল বিস্তাৰ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে।

৭। যি জনাই মহাজ্যোতি ঃ নিৰ্মাণ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁ দয়া চিৰকাললৈকে থাকে।

৮। যি জনাই দিনত অধিকাৰ কৰিবলৈ সূৰ্য্য নিৰ্মাণ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে।

৯। যি জনাই ৰাতিত অধিকাৰ কৰিবলৈ চন্দ্ৰ আৰু তৰাবোৰ নিৰ্মাণ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে।

১০। যি জনাই মিচৰৰ প্ৰথমে জন্মাবিলাকক আঘাত কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে।



## আপোনাক খ্ৰীষ্টৰ বাবে এজন উত্তম সৈনিক হ'বলৈ আহ্বান কৰা হৈছে !

**You are called to be a good SOLDIER FOR CHRIST!**

ভনী এঞ্জেলীন



আমাৰ পূৰ্বকথিত, ৰাজত্ব কৰা আৰু অতি সোনকালে আহিবলগীয়া ৰজা আৰু আমাৰ ত্ৰাণকৰ্ত্তা প্ৰভু যীচুৰ নামত শুভেচ্ছা জনাইছো।

আমাৰ প্ৰতিষ্ঠাপক পালক এছ. চাম ছেলভা ৰাজে তেওঁৰ আহ্বানৰ পৰিচৰ্যাসমূহত কৰ্মচাৰী আৰু বিশ্বাসী সমৰ্থকসকলৰ সৈতে মিলি প্ৰতিজন ভাৰতীয়লৈ এই আনন্দময় আৰু ধন্য ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ বাবে আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

এই ঐতিহাসিক সাফল্যই আমাক আশীৰ্বাদ লাভ কৰা স্বাধীনতাক মূল্যবান বুলি সৌঁৱৰাই দিয়ক, আমাৰ মাজত ঐক্যৰ বান্ধোন শক্তিশালী কৰক, আৰু আমাৰ প্ৰিয় জাতিটোৰ বাবে এক উজ্জ্বল, শান্তিপূৰ্ণ আৰু আশাৰে ভৰা ভৱিষ্যতৰ দিশত একেলগে কাম কৰিবলৈ অনুপ্ৰাণিত কৰক।

আমি আমাৰ দেশৰ স্বাধীনতা দিৱস উদ্‌যাপন কৰাৰ সময়ত স্বাভাৱিকতে আমাৰ স্বাধীনতাৰ বাবে প্ৰাণ আহুতি দিয়া সাহসী পুৰুষ-মহিলাৰ অগণন ত্যাগৰ প্ৰতি আমাৰ হৃদয় কৃতজ্ঞতাৰে ভৰি যায়। তেওঁলোকৰ সাহস, অধ্যৱসায় আৰু অটল সমৰ্পণেই হৈ পৰিল আমাৰ স্বাধীনতা গঢ় লৈ উঠা ভেটি। প্ৰায় আঠ দশক আগতে জীয়াই থকা সকলৰ ত্যাগ হৈ পৰিল আজি আমি যি স্বাধীনতা ভোগ

৩ পৃষ্ঠাত চাওঁক


হীজ কল ইখ অফ

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল !



প্ৰতিদিনে ২ মিনিটৰ বাৰ্তা

পালক এচ, চাম ছেলভা ৰাজ !

ইংৰাজী, হিন্দী ভাষাত - পুৱা ১.০০ বজাত

তামিল আৰু তেলেগু ভাষাত - পুৱা ২.০০ বজাত

আৰু

তামিল আৰু ইংৰাজীত দেওবৰীয়া বাৰ্তা আৰু প্ৰাৰ্থনা

দেওবৰে পুৱা ৮-৩০ বজাত আৰু সন্ধ্যা ৬.০০ বজাত

Please Subscribe if you are blessed! Share with whom you love & care!!

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি - (Marching towards 60th year)
Estd. 1969

# আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...





## ... যিবিলাকে যিহোৱাৰ ব্যৱস্থা অনুসাৰে চলে, সিবিলাক ধন্য! — গীতমালা ১১৯:১!

খ্ৰীষ্টত মোৰ প্ৰিয় বন্ধুসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা, যীচুখ্ৰীষ্টৰ অতুলনীয় নামত আপোনালোকক শুভেচ্ছা জনাইছো!

আমাৰ প্ৰভু যীচু খ্ৰীষ্টই আপোনাক আশীৰ্বাদ কৰিছে। তেওঁ আপোনাৰ গৌৰৱময় ভৱিষ্যতৰ বাবে নতুন দুৱাৰ আৰু সুযোগ মুকলি কৰিব। আমি প্ৰতিটো পৰিস্থিতিত তেওঁক বিশ্বাস কৰিব পাৰো, ঠিক যেনেকৈ। অৱশ্যে আমি প্ৰভুৰ আগত নিষ্ঠাৰে চলিবলৈ সাৱধান হ'ব লাগিব।

জীৱিতবিলাকৰ দেশত মই যিহোৱাৰ সাক্ষাতে অহা-যোৱা কৰিম - (গীতমালা ১১৬:৯)।

আমি বুজি পাওঁ যে, অহা বছৰৰ পৰা আমি তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি নিউজলেটাৰৰ প্ৰতিটো কপিৰ বাবে ডাক খৰচ হিচাপে ২.০০ টকা (দুটকা) দিব লাগিব। ইয়াৰ ফলত আমাৰ পৰিচৰ্যাত এক উল্লেখযোগ্য আৰ্থিক বোজা পৰিব। গতিকে ইকো অৱ হিজ কলৰ দৰে পঞ্জীয়নভুক্ত মাহেকীয়া বাতৰি কাকতসমূহৰ বৰ্তমানৰ ডাক হাৰ বজাই ৰাখিবলৈ আমাৰ সন্মানীয় যোগাযোগ মন্ত্ৰী আৰু ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী গৰাকীৰ হৃদয়ক ঈশ্বৰে আলোড়িত কৰক তাৰ বাবে আমি আপোনালোকৰ বিনম্ৰ প্ৰাৰ্থনা জনাইছো। ঈশ্বৰে আমাৰ মাননীয় প্ৰধানমন্ত্ৰী আৰু তেওঁৰ দলটোক সুস্বাস্থ্য, প্ৰজ্ঞা আৰু দীৰ্ঘায়ুৰে আশীবাদ কৰক।

ঈশ্বৰে অনুগ্ৰহ কৰি আমাৰ নহিমিয়া বাইবেল কলেজৰ ২৬ সংখ্যক স্নাতক কাৰ্যসূচীক আশীৰ্বাদ দিলে, যিটো ২০২৬ চনৰ ৪ জুলাইত অনুষ্ঠিত হৈছিল। প্ৰায় পয়ত্ৰিশজন ছাত্ৰ-ছাত্ৰীক স্নাতক ডিগ্ৰী লাভ কৰিছিল আৰু ঈশ্বৰৰ গৌৰৱময় পৰিচৰ্যাৰ বাবে পৃথক কৰা হৈছিল। এতিয়া তেওঁলোকক



*26th Graduation Service of our Nehemiah Bible Colleges*

মিছন ক্ষেত্ৰলৈ পঠিওৱা হৈছে যাতে তেওঁলোকে প্ৰচাৰ কাৰ্য্য পালক আৰু খ্ৰীষ্টিয়ান সেৱাৰ অন্যান্য ক্ষেত্ৰত সেৱা আগবঢ়ায়।

ঈশ্বৰৰ এজন মহান ব্যক্তি আৰু শুভবাৰ্তা উৎকৃষ্ট প্ৰচাৰক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি মালায়ালম বিভাগৰ সহযোগী সম্পাদক বেঞ্জামিন মোজেছে তেওঁৰ প্ৰিয় পত্নী প্ৰমিলা বেঞ্জামিন আৰু কন্যা মহিমা বেঞ্জামিনৰ সৈতে আমাৰ মুখ্য কাৰ্যালয় পৰিদৰ্শন কৰিছিল আৰু আমাৰ সৈতে এক আশীৰ্বাদপ্ৰাপ্ত সহভাগিতাৰে ভাগ লৈছিল। তেওঁলোকৰ বাবে আমি ঈশ্বৰৰ ওচৰত কৃতজ্ঞ।

ভাৰত এখন প্ৰায় ১.৫০ কোটি জনসংখ্যাৰ মহান গণতান্ত্ৰিক ৰাষ্ট্ৰ। পৰিসংখ্যা অনুসৰি খ্ৰীষ্টিয়ানসকলে জনসংখ্যাৰ প্ৰায় ২ শতাংশহে গঠন কৰে। গতিকে যীচু খ্ৰীষ্টৰ শুভবাৰ্তাৰে অনাগত লোকৰ ওচৰলৈ যোৱাৰ আমাৰ এক গুৰু দায়িত্ব আছে।

### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোধক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

HON. EDITOR-IN-CHIEF
Rev. Dr. Angeline S. Kumari, M.A., M.Sc., M.Ed.
EX MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
GENERAL MANAGER
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM, MBA.
ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
EDITORIAL BOARD
Sis. Sajini Cherian
Rev. Dr. J. John Rajarathnam, B.E.S., B.D., M.Th.
Rev. Dr. K.R. Rajasekaran
Adv. N. Balaji, B.Com., M.L.

EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293
Cell : (+91) 98410 71852, 98412 71858
E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.org
YOUTUBE CHANNEL
Echo of His Call

Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) YouTube Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development



প্ৰচাৰক বেঞ্জামিন মোজেছ, সহযোগী সম্পাদক (মালায়ালম) আৰু পৰিয়াল

আপুনি এই বাৰ্তাটো পঢ়ি থাকোঁতে যদি প্ৰভুৱে আপোনাৰ হৃদয়ৰ লগত কথা কয় আৰু আপোনাক এই পৰিচৰ্যাত অংশগ্ৰহণ কৰিবলৈ নেতৃত্ব দিয়ে, তেন্তে আমি আপোনাক তেওঁৰ নিৰ্দেশনা অনুসৰি উৎসাহিত কৰোঁ। অনুগ্ৰহ কৰি আপোনাৰ প্ৰাৰ্থনাত আপোনাৰ স্থানীয় পালক আৰু মন্ত্ৰীসকলকো মনত ৰাখিব আৰু প্ৰভুৱে আপোনাক সক্ষম কৰাৰ দৰে তেওঁলোকক সমৰ্থন কৰক। আমি আপোনাৰ বাবে অহৰহ প্ৰাৰ্থনা কৰোঁ, আৰু ঈশ্বৰক আপোনাক প্ৰচুৰ আশীৰ্বাদ কৰিবলৈ অনুৰোধ কৰিছো।

...শস্য সৰহ, কিন্তু বনুৱা তাকৰ। এই হেতুকে নিজৰ শস্যক্ষেত্ৰলৈ বনুৱাবিলাকক পঠাই দিবলৈ, শস্যৰ গৰাকীত প্ৰাৰ্থনা কৰা। - মথি ৯:৩৭-৩৮।

খ্ৰীষ্ট যীচুত আপোনাৰ ভাই,

**পালক এছ চাম চেলভা ৰাজ**

ইমেইল : sam@echoofhiscall.org

*১ম পৃষ্ঠাৰ পৰা*

কৰিছো তাৰ বাবে দিয়া মূল্য। তেওঁলোকৰ তেজ হৈ পৰিল সেই বীজ যাৰ পৰা আমাৰ জাতিৰ স্বাধীনতা ফুলি উঠিল।

এইটোৱে মোক আৰু অধিক ডাঙৰ বলিদানৰ কথা মনত পেলাই দিয়ে, সেইটো হ'ল ২০০০ বছৰতকৈও অধিক পূৰ্বে কালবাৰীৰ ক্ৰুচত আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ বলিদান। তেওঁৰ বহুমূলীয়া তেজে আমাৰ বাবে বহুত বেছি আৰু চিৰন্তন স্বাধীনতা ক্ৰয় কৰিলে; পাপ, ৰোগ, নিচা আসক্ত আধ্যাত্মিক বন্ধন আৰু বংশগত অভিশাপৰ পৰা মুক্তি।

***ঈশ্বৰৰ বাক্যই ঘোষণা কৰিছে :***

**তেওঁ আমাৰ বাবে অভিশাপ হৈ পৰিল (গালাতীয়া ৩:১৩)।**

তেওঁৰ বলিদানৰ দ্বাৰাই আমি আন্ধাৰৰ পৰা মুক্তি পাইছো আৰু তেওঁৰ আচৰিত পোহৰলৈ অনা হৈছে। যীচু খ্ৰীষ্টই নিজেই ঘোষণা কৰিছিল :

**...তোমালোকে সত্যক জানিবা আৰু সেই সত্যই তোমালোকক মুক্ত কৰিব। যোহন ৮:৩২।**

যীচু খ্ৰীষ্টত আমি সঁচাকৈয়ে মুক্ত — ঈশ্বৰৰ প্ৰশংসা কৰক!

***যীচু খ্ৰীষ্ট আৰু ধুমুহা :***

মাৰ্ক ৪ অধ্যায়ত আমি যীচু খ্ৰীষ্টই নাওত শুই থকাৰ শক্তিশালী বিৱৰণী পঢ়িবলৈ পাওঁ, যেতিয়া তেওঁৰ শিষ্যসকলে এক প্ৰচণ্ড ধুমুহাৰ সন্মুখীন হৈছিল। ভয়ত পৰাস্ত হৈ তেওঁলোকে তেওঁক জগাই ক'লে :

**... গুৰু, আমি যে মৰোঁ ইয়ালৈ আপুনি চিন্তা নকৰেনে?**

যীচু খ্ৰীষ্টই উঠি বতাহ আৰু সাগৰক ডবিয়ালে আৰু তাৰ পিছত তেওঁৰ শিষ্যসকলক তেওঁলোকৰ বিশ্বাসৰ বিষয়ে প্ৰত্যাহ্বান জনালে। সৃষ্টিৰ ওপৰত তেওঁৰ নিৰপেক্ষ কৰ্তৃত্বৰ সাক্ষী হৈ তেওঁলোক ভয়ত ভৰি পৰিছিল।

***মাৰ্ক ৪:৩৬ পদত কৈছে :***

**... তেতিয়া তেওঁলোকে নাৰত যেনেকৈ আছিল তেনেকৈ তেওঁক লৈ গ'ল।**

যীচু খ্ৰীষ্টই অহৰহ সেৱা কৰি আহিছিল। তেওঁ শাৰীৰিকভাৱে ক্লান্ত, আবেগিকভাৱে ক্লান্ত আছিল আৰু ভিৰৰ পৰা আঁতৰত এমুহূৰ্ত জিৰণি লোৱাৰ প্ৰয়োজন আছিল — তেওঁৰ শিষ্যসকলৰ সৈতে এটা নিস্তব্ধ সময়।

তেওঁলোকে তেওঁক লৈ গ'ল "যেনেকৈ তেওঁ ভাগৰুৱা, ক্ষীণ আৰু টোপনিৰ প্ৰয়োজন আছিল। নাওখনে যাত্ৰা আৰম্ভ কৰাৰ লগে লগে যীচু খ্ৰীষ্টই টোপনি গ'ল।"

আমাৰ বহুতেই ইয়াৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰে। দীৰ্ঘদিন ধৰি শ্ৰমৰ অন্তত, দায়িত্ব বা সেৱা আমি যি মুহূৰ্তত এটা নিস্তব্ধ ঠাই পাওঁ, ক্লান্তিয়ে আমাক আগুৰি ধৰে।

তথাপিও এই একেটা পদৰ ভিতৰতে এটা সৰু কিন্তু উল্লেখযোগ্য বিৱৰণ আছে যিটোক প্ৰায়ে উপেক্ষা কৰা হয় এটা গভীৰ আধ্যাত্মিক প্ৰকাশ বহন কৰা এটা বিৱৰণ :

"আৰু তেওঁৰ লগত আন সৰু সৰু নাওবোৰো আছিল।"

এটা সবিশেষ অকল মাৰ্কে লিপিবদ্ধ কৰিছে। মাৰ্কৰ শুভবাৰ্তাত বহুতো প্ৰত্যক্ষদৰ্শীৰ বৰ্ণনা পোৱা যায়, যিবোৰৰ প্ৰভাৱ মাছমৰীয়া আৰু যীচুৰ অন্যতম ঘনিষ্ঠ শিষ্য পিতৰৰ দ্বাৰা প্ৰভাৱিত বুলি বিশ্বাস কৰা হয়।

মাৰ্কে অনন্যভাৱে কেইবাটাও বিৱৰণ লিপিবদ্ধ কৰিছে, য'ত আছে-




আমাৰ ঠিকনা :

## এটি জৰুৰী জাননী !

অদূৰ ভৱিষ্যতে ইক অফ হিজ কল ডাকযোগে প্ৰেৰণৰ ক্ষেত্ৰত অনিবাৰ্য বিঘিনি ঘটিব পাৰে। যদি আপুনি বিনা বাধাই ইক অফ হিজ কল লাভ কৰিব বিচাৰে তেন্তে তৎক্ষণাত চিঠি, ই-মেইল, ফোনকল বা মেছেজ/বাটিচ এপ্ বাৰ্তাৰ জৰিয়তে আমালৈ আপোনাৰ নাম, ঠিকনা, ই-মেইল আৰু বাটচ এপ্ নম্বৰ প্ৰেৰণ কৰক।

আপোনাৰ সমৰ্থনে আমাক আপোনাক ভালদৰে সেৱা আগবঢ়োৱাত সহায় কৰে।

**ECHO OF HIS CALL,**
**10, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005, India**
**Cell: (+91) 98412 71858 / 98410 71858 E.mail: sam@echoofhiscall.org**

* যীচুখ্ৰীষ্ট গাৰুত মূৰ দি টোপনিতে আছিল (মাৰ্ক ৪:৩৮)
* পাঁচ হাজাৰ লোকক খোৱাৰ সময়ত কেঁচা সেউজীয়া ঘাঁহত (মাৰ্ক ৬:৩৯)
* শ শ পঞ্চাশৰ গোট (মাৰ্ক ৬:৪০)
* অন্ধ লোকৰ দুটা পৰ্যায়ৰ সুস্থতা (মাৰ্ক ৮:২২ - ২৫)।

গতিকে যেতিয়া মাৰ্কে লিখিছে... আন সৰু সৰু নাওবোৰ তেওঁৰ লগত আছিল, "ই কোনো অপ্ৰয়োজনীয় বিৱৰণ নহয়। ই এটা শক্তিশালী আধ্যাত্মিক সত্য প্ৰকাশ কৰে ঃ

আপোনাৰ জীৱনটোক চোৰাচিতা কৰা হৈছে। আপোনাৰ ধুমুহাবোৰ পৰ্যবেক্ষণ কৰা হৈছে। আপোনাৰ মুক্তিৰ সাক্ষ্য আন কাৰোবাৰ স্বাধীনতাৰ দুৱাৰমুখ হৈ পৰিব পাৰে। ধুমুহাৰ মাজত যীচু খ্ৰীষ্টৰ পিছে পিছে যোৱা সৰু সৰু নাওবোৰৰ বাবে মই ঈশ্বৰক ধন্যবাদ জনাইছো।

## সৰু সৰু নাওবোৰে আমাক কি সোঁৱৰাই দিয়ে?

### ১। মনত ৰাখিব ঃ আপুনি আপোনাক চোৰা-চিতা কৰা সৰু সৰু নাওবোৰে আগুৰি আছে।

ঈশ্বৰে আমাক তেওঁৰ প্ৰশংসা ঘোষণা কৰিবলৈ মাতিছে ঃ

যি জনাই, আন্ধাৰৰ পৰা তেওঁৰ আচৰিত পোহৰলৈ তোমালোকক আমন্ত্ৰণ কৰিলে, তোমালোকে যেন তেওঁৰ সদগুণ প্ৰকাশ কৰা, এইকাৰণে তোমালোক মনোনীত বংশ, ৰাজকীয় পুৰোহিতসমূহ, পবিত্ৰ জাতি আৰু ঈশ্বৰৰ নিজ অধিকাৰৰ অৰ্থে এক বিশেষ লোক হৈছা। ১ পিতৰ ২:৯ পদ।

আমি খ্ৰীষ্টত স্বাধীনতা লাভ কৰিছো কেৱল নিজৰ বাবেই নহয়, কিন্তু যাতে তেওঁৰ পোহৰ আমাৰ জীৱনৰ মাজেৰে উজ্জ্বল হৈ আনক তেওঁৰ ওচৰলৈ লৈ যায়।

আমি উপলব্ধি কৰোঁ বা নকৰোঁ, মানুহে আমাক আমাৰ বিশ্বাস, আমাৰ মনোভাৱ, আমাৰ কথা, আমাৰ কাম, হেঁচাত পৰা আমাৰ সঁহাৰি আৰু জীৱনৰ ধুমুহাত আমাৰ আচৰণৰ ধৰণটো চাই আছে।

যীচু খ্ৰীষ্টই কৈছিল -

এইদৰে তোমালোকৰ পোহৰ মানুহৰ আগত এনেকৈ প্ৰকাশিত হওক, তেওঁবিলাক তোমালোকৰ ভাল কাৰ্যবোৰ দেখি, স্বৰ্গত থকা তোমালোকৰ পিতৃৰ স্তুতি কৰিব। মথি ৫:১৬।

ধুমুহাৰ মাজতো আমাৰ জীৱনে ঈশ্বৰৰ মঙ্গল প্ৰকাশ কৰক আৰু আনক স্বৰ্গত থকা আমাৰ পিতৃক মহিমামণ্ডিত কৰিবলৈ বাধ্য কৰক।

মই নাজনো কিয় সেই সৰু নাওবোৰে যীচুৰ নাওখনৰ পিছে পিছে গৈছিল। বোধকৰোঁ ঃ

কিছুমানে কৌতুহলৰ বাবে অনুসৰণ কৰিছিল

* কিছুমানে তেওঁৰ কৰ্মত আচৰিত হোৱাৰ বাবে অনুসৰণ কৰিছিল।

* কিছুমানে অনুসৰণ কৰি পৰ্যবেক্ষণকৰিলে আৰু সমালোচনা কৰিলে।

* কিছুমানে বাক্যৰ বাবে ভোকত থকাৰ বাবেই অনুসৰণ কৰিলে

* কিছুমান কেৱল ওচৰতে, যেনে মাছমৰীয়া আৰু ভ্ৰমণকাৰী।

তেওঁলোকৰ কাৰণ যিয়েই নহওক কিয়, ধুমুহা আহিলে শিষ্যসকলে কেনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল, তাৰ সাক্ষী আছিল।

কোন এই সৰু সৰু নাওবোৰ আমাৰ চাৰিওফালে?

* আমাৰ ল'ৰা-ছোৱালীবিলাক
* আমাৰ স্বামী বা ভাৰ্য্যা
* আমাৰ পৰিয়ালৰ সদস্যসকল
* আমাৰ সহকৰ্মীসকল
* আমাৰ ওচৰ-চুবুৰীয়াসকল
* আমাৰ মণ্ডলীৰ পৰিয়ালবৰ্গ
* আমাৰ সমাজ

আপুনি অকলে জীৱনৰ মাজেৰে নাও চলাই থকা নাই। কাষে কাষে সৰু সৰু নাওবোৰে আপোনাৰ যাত্ৰা নিৰীক্ষণ কৰি আছে।

### ২। মনত ৰাখিব ঃ আপুনি যীচু খ্ৰীষ্টক কঢ়িয়াই লৈ ফুৰে - তেওঁলোকে নকৰে ঃ

শিষ্যসকলৰ নাও আৰু সৰু নাওবোৰৰ মাজত আটাইতকৈ ডাঙৰ পাৰ্থক্য থকাটো ধুমুহা নহয়, আছিল যীচু খ্ৰীষ্টৰ উপস্থিতি। এইটো সৰু সৰু নাওবোৰ একে পানীতে আছিল আৰু একে ধুমুহাৰ সন্মুখীন হৈছিল, কিন্তু যীচু খ্ৰীষ্ট তেওঁলোকৰ নাওত নাছিল।

অৱশ্যে আমি য'তেই যাওঁ যীচু খ্ৰীষ্টক কঢ়িয়াই লৈ ফুৰো। আমি পবিত্ৰ আত্মাৰ মন্দিৰ। যীচু খ্ৰীষ্টৰ উপস্থিতি আমাৰ লগত আছে।

তথাপিও আমাৰ চৌপাশৰ বহুতেই এতিয়াও তেওঁৰ অবিহনে ভয়, বিভ্ৰান্তি, আশাহীনতা, আধ্যাত্মিক বন্ধন আৰু পাপৰ শিকলিত আবদ্ধ হৈ জীয়াই আছে। তেওঁলোকে চাই আছে যে যীচু খ্ৰীষ্টক কঢ়িয়াই নিয়াসকলে কেনেদৰে সঁহাৰি জনায়, কথা কয় আৰু জীয়াই থাকে। যীচু খ্ৰীষ্টই ঘোষণা কৰিছিল ঃ

প্ৰভুৰ আত্মা মোৰ ওপৰত আছে, কাৰণ তেওঁ মোক দৰিদ্ৰসকলক শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ অভিষেক কৰিছে। তেওঁ মোক ভগ্ন হৃদয়ৰ লোকক সুস্থ কৰিবলৈ, বন্দীসকলক মুক্তি আৰু অন্ধসকলক দৃষ্টিশক্তি পুনৰুদ্ধাৰৰ প্ৰচাৰ কৰিবলৈ, নিপীড়িতসকলক মুক্ত কৰিবলৈ পঠিয়াইছে। লুক ৪:১৮ পদ।

এইটো মনত ৰাখিব ঃ আপুনি স্বাধীনতাৰ ৰাষ্ট্ৰদূত।

ঈশ্বৰে আপোনাক মুক্ত কৰিছে যাতে আপুনি আপোনাৰ চাৰিওফালে থকা সৰু সৰু নাওবোৰৰ বাবে তেওঁৰ স্বাধীনতাৰ চেনেল হ'ব পাৰে।

কেতিয়াও পাহৰি নাযাব আপোনাৰ নাওত কোন কোন আছে - আৰু কোন কোন নাই।

আপোনাৰ জীৱনটো এনেকুৱা এটা বাৰ্তা যিটো মানুহে ইতিমধ্যে পঢ়ি আছে। আপুনি কি বাৰ্তা প্ৰচাৰ কৰি আছে?

### ৩। মনত ৰাখিব ঃ ধুমুহাই প্ৰতিখন নাওকে স্পৰ্শ কৰে

ধুমুহাই কেৱল যীচু খ্ৰীষ্টক কঢ়িয়াই অনা নাওখনতে আঘাত কৰা নাছিল; পানীৰ ওপৰত থকা প্ৰতিখন নাওতে ইয়াৰ প্ৰভাৱ পৰিছিল।

বিশ্বাসী আৰু অবিশ্বাসীসকলৰ দুয়োটা গোটে ধুমুহাৰ সন্মুখীন হয়। আমাৰ নাৱত যীচুখ্ৰীষ্ট থকাৰ অৰ্থ এইটো নহয় যে আমি কেতিয়াও ধুমুহাৰ সন্মুখীন নহম- কিন্তু ইয়াৰ অৰ্থ হৈছে আমাৰ এজন উদ্ধাৰকৰ্তা আছে, যিজন প্ৰতিটো ধুমুহাতকৈ ডাঙৰ।

আমাৰ ধুমুহাবোৰ হয়তো ঃ

* আবেগিক যুদ্ধৰ দ্বাৰাই
* আৰ্থিক চাপৰ দ্বাৰাই

৬ পৃষ্ঠাত চাওক

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1999

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

**প্ৰশংসা আৰু প্ৰাৰ্থনাৰ অনুৰোধবোৰ**

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২৬ বৰ্ষৰ ১৯ আগষ্টৰ পৰা ২০২৬ বৰ্ষৰ ১৮ ছেপ্টেম্বৰলৈ**

## ✝ ঈশ্বৰক প্ৰশংসা কৰোঁ কাৰণ ...

১৯ আগষ্ট ঃ প্লেট নিৰ্মাতা, প্লেট গ্ৰাহিণ্ড-আৰ, স্ক্ৰীণ প্ৰিণ্টাৰ আৰু অন্যান্যৰ পৰা বাহ্যিক সমৰ্থনৰ সৈতে আমাৰ ইকো অৱ হিজ কল পৰিচৰ্যাৰ আশীৰ্বাদৰ বাবে।

২০ আগষ্ট ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ অধ্যাপক সদস্য আৰু তেওঁলোকৰ পৰিয়ালক আশীৰ্বাদ দিয়াৰ বাবে।

২১ আগষ্ট ঃ আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ অধ্যক্ষ, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদৰ বাবে।

২২ আগষ্ট ঃ ২০২৬ চনৰ ১০ আগষ্টত অনুষ্ঠিত আমাৰ ৫৭ বছৰীয়া জয়ন্তী উদ্‌যাপনত আশীৰ্বাদ কৰাৰ বাবে।

২৩ আগষ্ট ঃ আমাৰ মিছন কৰ্মীসকলৰ মহান দায়বদ্ধতাৰ বাবে।

২৪ আগষ্ট ঃ আমাৰ জ্যেষ্ঠ পালক আৰু তেওঁৰ পৰিয়ালৰ প্ৰতি তেওঁৰ যত্নৰ বাবে।

২৫ আগষ্ট ঃ পৰৱৰ্তী মাহৰ ভিতৰত আমাৰ সকলো প্ৰয়োজন পূৰণ হ'বৰ বাবে।

২৬ আগষ্ট ঃ আমাৰ মণ্ডলীসমূহত নতুন সদস্য যোগ কৰাৰ বাবে।

২৭ আগষ্ট ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবস্ক্ৰাইবিং অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ, অনুৰোধ অংশীদাৰ, গ্ৰেট কমিচন অংশীদাৰ আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত তেওঁৰ দয়াৰ বাবে।

২৮ আগষ্ট ঃ ২০২৬-২০২৭ শিক্ষাবৰ্ষৰ বাবে ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলত নতুনকৈ নামভৰ্তিৰ বাবে।

২৯ আগষ্ট ঃ আমাৰ সকলো কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালক সুৰক্ষা দিয়াৰ বাবে।

৩০ আগষ্ট ঃ আমাৰ নৈতিক আৰু আৰ্থিক দুয়োটা দিশতে সহায় কৰা অংশীদাৰৰ সৈতে আশীৰ্বাদ দিয়াৰ বাবে।

৩১ আগষ্ট ঃ আমাৰ সেৱাক আশীৰ্বাদ দিয়া নিষ্ঠাবান সহযোগী সম্পাদকৰ সৈতে যিয়ে ইকো অৱ হিজ কল আলোচনীৰ সেৱাক নিষ্ঠাৰে সমৰ্থন কৰে।

০১ ছেপ্টেম্বৰ ঃ ঐক্য আৰু একতাৰে নিজৰ দায়িত্ব পালন কৰা নিষ্ঠাবান কৰ্মচাৰীৰে আমাক আশীৰ্বাদ দিয়াৰ বাবে।

০২ ছেপ্টেম্বৰ ঃ আমাৰ মূল মণ্ডলীত ল'ৰা আৰু ছোৱালীৰ বাবে আমাৰ যুৱ ফেল'শ্বিপক আশীৰ্বাদৰ বাবে।

০৩ ছেপ্টেম্বৰ ঃ মিছনৰ ক্ষেত্ৰত আমাৰ মিছনেৰী আৰু তেওঁলোকৰ পৰিয়ালক সুৰক্ষা দিয়াৰ বাবে।

## ✝ অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

০৪ ছেপ্টেম্বৰ ঃ এই মাহত আমাৰ সকলো প্ৰয়োজন পূৰণ কৰিবলৈ ঈশ্বৰে সহায় কৰাৰ বাবে।

০৫ ছেপ্টেম্বৰ ঃ ২০২৬-২০২৭ শিক্ষাবৰ্ষৰ বাবে আমাৰ নহিমিয়া বাইবেল কলেজৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে।

০৬ ছেপ্টেম্বৰ ঃ ২০২৬-২০২৭ শিক্ষাবৰ্ষৰ বাবে আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে।

০৭ ছেপ্টেম্বৰ ঃ আমাৰ ৰাজ্যিক সমন্বয়ক আৰু তেওঁলোকৰ পৰিয়ালৰ মংগলৰ বাবে।

০৮ ছেপ্টেম্বৰ ঃ ভাৰতৰ অপ্ৰাপ্য অঞ্চলসমূহত উপনীত হ'বলৈ আমাক সক্ষম কৰাৰ বাবে।

০৯ ছেপ্টেম্বৰ ঃ আমাৰ মন্ত্ৰীত্বৰ কাৰ্যকলাপ আৰু ভৱিষ্যত সম্প্ৰসাৰণৰ বাবে।

১০ ছেপ্টেম্বৰ ঃ আমাৰ প্ৰিণ্টাৰ, সহকাৰী প্ৰিণ্ট আৰু প্ৰিণ্টিং প্ৰেছৰ সকলো কৰ্মচাৰীৰ বাবে।

১১ ছেপ্টেম্বৰ ঃ সমগ্ৰ বিশ্বতে মহিলা আৰু শিশুৰ সুৰক্ষাৰ বাবে।

১২ ছেপ্টেম্বৰ ঃ মদ্যপায়ী আৰু দুষ্টকৰ্মীক অনুতাপলৈ প্ৰভুৱে আনিবৰ বাবে।

১৩ ছেপ্টেম্বৰ ঃ সকলো জাতিৰ মাজত ঐক্য আৰু শান্তিৰ বাবে।

১৪ ছেপ্টেম্বৰ ঃ খ্ৰীষ্টিয়ান প্ৰচাৰকসকলেনিষ্ঠাৰে আৰু আপোচ নকৰাকৈ শুভবাৰ্তা ঘোষণা কৰাৰ বাবে।

১৫ ছেপ্টেম্বৰ ঃ সকলো খ্ৰীষ্টিয়ান সংগঠন আৰু মণ্ডলীবিলাকৰ ওপৰত ঈশ্বৰৰ আশীৰ্বাদ আৰু সুৰক্ষাৰ বাবে।

১৬ ছেপ্টেম্বৰ ঃ কাৰাগাৰত সেৱা কৰা ঈশ্বৰৰ দাসৰ বাবে।

১৭ ছেপ্টেম্বৰ ঃ আমাৰ জ্যেষ্ঠ পালক এছ. চাম ছেলভা ৰাজক তেওঁৰ বহুমুখী সেৱাৰ বাবে সতেজ দৃষ্টিভংগীৰে আশীৰ্বাদপ্ৰাপ্ত হ'বলৈ।

১৮ ছেপ্টেম্বৰ ঃ আমাৰ জ্যেষ্ঠ পালক এছ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালক প্ৰতিটো দুষ্ট শক্তিৰ পৰা ৰক্ষা কৰি থকাৰ বাবে।

....Contd. from page 4

* পৰিয়ালৰ সংগ্ৰামৰ দ্বাৰাই
* স্বাস্থ্যজনিত প্ৰত্যাহ্বানৰ দ্বাৰাই আৰু
* আধ্যাত্মিক আক্ৰমণৰ দ্বাৰাই আহিব পাৰে।

শত্ৰুৱে ধুমুহাৰ ব্যৱহাৰ কৰি আমাক কেৱল নিজৰ যন্ত্ৰণাত মনোনিৱেশ কৰি চৌপাশৰ সৰু সৰু নাওবোৰ পাহৰিবলৈ বাধ্য কৰে। তেওঁ আমাক আৱৰি ধৰিবলৈ ইচ্ছা কৰে -

* উদ্বিগ্নতা আৰু আৱেগিক বোজাৰ সময়ত
* পৰিয়ালৰ দায়িত্বৰ সময়ত
* আৰ্থিক অসুবিধাৰ সময়ত
* শাৰীৰিক দুৰ্বলতাৰ সময়ত
* আধ্যাত্মিক ক্লান্তিৰ সময়ত

যেতিয়া আমি নিজৰ সংগ্ৰামৰ দ্বাৰা সম্পূৰ্ণৰূপে গ্ৰাস হৈ পৰো তেতিয়া আমি সেইসকলক লক্ষ্য কৰাত ব্যৰ্থ হওঁ যিসকলক আমাৰ প্ৰাৰ্থনা, উৎসাহ, মমতা আৰু সাক্ষ্যৰ প্ৰয়োজন।

কিন্তু ঈশ্বৰে আমাক ধুমুহাৰ ওপৰত উঠিবলৈ মাতিছে।

যিচয়া ৪০:৩১ পদত ঘোষণা কৰা হৈছে।

কিন্তু যিসকলে অপেক্ষা কৰি থাকে - যিহোৱাই তেওঁলোকৰ শক্তি নবীকৰণ কৰিব; তেওঁলোকে ঈগলৰ দৰে ডেউকা লৈ উঠিব, দৌৰিব আৰু ক্লান্ত নহ'ব, খোজ কাঢ়িব আৰু অজ্ঞান নহ'ব।

আপুনি হয়তো অনুভৱ কৰিব পাৰে যেন আপুনি অকলশৰীয়া উপত্যকাৰ মাজেৰে খোজ কাঢ়িছে সহ্য কৰি নোৱাৰাকৈয়ে গধুৰ বোজা কঢ়িয়াই লৈ ফুৰিছে, তাৰ পৰা পলায়নৰ কামনা কৰিছে। তথাপি তোমালোকক মাতি অনা ঈশ্বৰ বিশ্বাসী হৈয়েই আছে।

আজি আপুনি সন্মুখীন হোৱা ধুমুহাই হয়তো আপোনাৰ যাত্ৰা চাই থকা অগণন সৰু সৰু নাওবোৰলৈ আশা আৰু স্বাধীনতা কঢ়িয়াই অনা সাক্ষ্য হৈ পৰিব।

এতিয়া আপুনি যি যুদ্ধৰ সন্মুখীন হৈছে, ঈশ্বৰে আনৰ বাবে ইয়াক আশীৰ্বাদলৈ ৰূপান্তৰিত কৰিব পাৰে - আপুনি হয়তো তেওঁবিলাকক কেতিয়াও নাজানে।

সাহসী হওক।

সৰু নাওবোৰক দেখুৱাওক যে আপোনাৰ নাওত যীচু খ্ৰীষ্টক কি অৰ্থ বহন কৰে।

## ৪। ধুমুহাত আপোনাৰ প্ৰতিক্ৰিয়াই সৰু নাওবোৰক প্ৰভাৱিত কৰে

যেতিয়া শিষ্যসকলে আতংকিত হৈ কান্দিলে ঃ

"হে গুৰু, আমি যে বিনষ্ট হৈছো তাৰ প্ৰতি আপুনি গুৰুত্ব নিদিয়েনে?" চৌপাশৰ সৰু সৰু নাওবোৰ নিশ্চয় ভয় কৰিছিল।

যদি যীচু খ্ৰীষ্টক কঢ়িয়াই নিয়া নাওখন কঁপি আছিল, তেন্তে আনসকলৰ কি আশা আছিল?

সংকটৰ সময়ত আপোনাৰ সঁহাৰিয়ে প্ৰায়ে আৰামৰ সময়ত আপোনাৰ কথাতকৈ বেছি জোৰেৰে কথা কয়।

আশা নথকা সকলৰ দৰে আপুনিও সঁহাৰি জনায় নেকি? নে ধুমুহাত আপোনাৰ লগত থকাজনক প্ৰকাশ কৰে?

তিনিজন ইব্ৰী যুৱকে ঘোষণা কৰিলে ঃ "আমি যিজন ঈশ্বৰৰ সেৱা কৰোঁ, তেওঁ আমাক উদ্ধাৰ কৰিবলৈ সক্ষম.. . কিন্তু তেওঁ নকৰিলেও..."(দানিয়েল ৩:১৭-১৮)।

কি শক্তিশালী বিশ্বাসৰ প্ৰকাশ ঃ "যদিও তেওঁ নকৰে।"

আমাৰ সেইধৰণৰ বিশ্বাস আছেনে যিটো কেৱল পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ নকৰে যিটো বিশ্বাস যিয়ে প্ৰতিখন সৰু নাও চোৱাত শক্তিশালী কৰে দূৰৈৰ পৰা? পৌলে ঘোষণা কৰিলে ঃ

...মই জানো যে মই কাক বিশ্বাস কৰিলোঁ...১ তীমথিয় ১:১২।

ধুমুহাৰ সময়ত আপোনাৰ বিশ্বাস। আন কাৰোবাৰ হ'ব পাৰে। শক্তি।

## ৫। মনত ৰাখিব ঃ সৰু নাওবোৰে আপোনাৰ মুক্তিৰ ওপৰত নিৰ্ভৰ কৰে

যেতিয়া যীচু খ্ৰীষ্টই ধুমুহাক শান্ত কৰিছিল, তেতিয়া তেওঁৰ চাৰিওফালে থকা প্ৰতিখন সৰু নাৱেই তেওঁৰ শক্তিৰ প্ৰভাৱ অনুভৱ কৰিছিল। আলৌকিকতা কেৱল শিষ্যসকলৰ বাবেই নাছিল, ইয়াৰ উপৰিও ওচৰৰ প্ৰতিখন নাওতে শান্তি কঢ়িয়াই আনিছিল।

প্ৰিয় ভাই-ভনীসকল, কেতিয়াবা ঈশ্বৰে আমাক অসুবিধা, ধুমুহা, পৰীক্ষা আৰু অপ্ৰত্যাশিত ঋতুৰ মাজেৰে যাবলৈ অনুমতি দিয়ে কাৰণ তেওঁ আমাৰ মুক্তিক আনক আশা কঢ়িয়াই আনিবলৈ ব্যৱহাৰ কৰাৰ উদ্দেশ্যেৰে।

আপোনাৰ উল্লেখযোগ্য অগ্ৰগতিয়ে আন কাৰোবাৰ আশীৰ্বাদ হ'ব পাৰে। আপোনাৰ প্ৰাৰ্থনাই দুৱাৰ খুলিব পাৰে আন এজন ব্যক্তিৰ বাবে।

আপোনাৰ অধ্যৱসায়ে কৰিব পাৰে। মনে

৯ পৃষ্ঠাত চাওঁক


নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
চেপাক আৰু সন্তোষাপুৰম, ভেলাচেৰী চেন্নাই
ECHO OF HIS CALL
নামভৰ্তিৰ বাবে সোনকাল কৰক!
অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
মাধ্যম ঃ তামিল (অংশকালীন)
হিন্দী (অংশকালীন)
ডিপ্লমা ইন থিয়ল'জি
বেচেলৰ অৱ্ থিয়ল'জি
যোৱা ৫৭ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## মুখ্য কার্য্যালয়ৰ কাৰ্য্যক্ৰমবিলাক

১। প্ৰাৰ্থনা সেৱা ঃ ২৪ ঘণ্টা
২। **বিব্লিকৰ** -বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ ইংৰাজী, হিন্দী আৰু তামিল।
৩। **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি** আলোচনী ঃ
ইংৰাজী, তামিল, মালয়ালম, তেলেগু, হিন্দী, কনাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাবী, উৰ্দু, সিংহালী আৰু আফ্ৰিকান।
৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা) ঃ (চেপাক, সন্তোষাপুৰম আৰু ভেলাচেৰী)
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল।
৬। শাখামণ্ডলীসমূহ (সন্তোষাপুৰম, বালাজী নগৰ আৰু ভেলাচেৰী)
৭। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল
৮। প্ৰশিক্ষণ কাৰ্যসূচীবোৰ।
৯। সভা।
১০। পত্ৰিকা পৰিচৰ্য্যা - স্থিৰভাৱে অনুসৰণ কৰা।
১১। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।
১২। চেইন্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - প্ৰাথমিক ইংৰাজী উচ্চ মাধ্যমিক বিদ্যালয়।
১৩। দেওবৰীয়া স্কুল ঃ (চেপাক) পুৱা ১০.৩০ দেওবাৰ আৰু (ভেলাচেৰী, বালাজী নগৰ আৰু সন্তোষাপুৰম) আবেলি ৩.০০ দেওবাৰ
১৪। **পুৱতী নিশাৰ প্ৰাৰ্থনা** ঃ দেওবাৰ ৫.৩০ বজাত
১৫। **প্ৰাথমিক আৰাধনা** ঃ দেওবাৰ ৮.০০ দেওবাৰ
১৬। **তামিল উপাসনা** ঃ পুৱা ৮.৩০ দেওবাৰ
১৭। **যুৱক-যুৱতীসকলৰ উপাসনা** ঃ দেওবাৰ ১১.০০ বজাত
১৮। **সহভাগিতাৰ আহাৰ** ঃ দেওবাৰে ১.০০ দেওবাৰ
১৯। **হিন্দী উপাসনা** ঃ আবেলি ৫.০০ দেওবাৰ
২০। **তেলেগু উপাসনা** ঃ আবেলি ৪.০০ দেওবাৰ
২১। **ইংৰাজী আৰু তামিল সেৱা** ঃ সন্ধ্যা ৬.০০ বজাত দেওবাৰ
২২। মতামতৰ সময় ঃ দেওবাৰ ৭.৩০ বজাত
২৩। মহিলাসকলৰ প্ৰাৰ্থনা সভা ঃ সন্ধ্যা ৫.৩০ বজাত বুধবাৰ
২৪। হিন্দি উপাসনা ঃ সন্ধ্যা ৭.০০ বজাত বুধবাৰ
২৫। পুৰুষসকলৰ বিশেষ উপাসনা ঃ গধুলি ৭.৩০ বজাত শুক্ৰবাৰ
২৬। কৰ্মকৰ্ত্তা সকলৰ সভা ঃ সন্ধ্যা ৬.০০ বজাত শনিবাৰ
২৭। গৃহ সভা ঃ সন্ধ্যা ৬.৩০ বজাত মঙ্গলবাৰ আৰু বৃহস্পতিবাৰ
২৮। বিশেষ প্ৰভু ভোজ ঃ পুৱা ৬.০০ প্ৰত্যেক মাহৰ প্ৰথম দিনত
২৯। পৰিচৰ্যাকাৰীসকলৰ সভা ঃ গধুলি ৫.৩০ প্ৰথম শনিবাৰ
৩০। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা ঃ আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ
৩১। নিশাৰ প্ৰাৰ্থনা ঃ গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ
৩২। উপবাস প্ৰাৰ্থনা ঃ পুৱা ৯.৩০ তৃতীয় শনিবাৰ
৩৩। প্ৰভু ভোজ ঃ দ্বিতীয় দেওবাৰৰ উপাসনাত
৩৪। যুৱক-যুৱতী/শিশুসকলৰ প্ৰাৰ্থনা ঃ প্ৰতিদিনে ৰাতি ১০.০০ বজাত (ফোনৰ জৰিয়তে)
৩৫। কৰ্মচাৰী সকলৰ উপাসনা ঃ পুৱা ৯.০০ টা দৈনিক
৩৬। কাৰ্য্যালয় ঃ পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)।

### ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয়সকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি হিন্দী, ইংৰাজী আৰু তামিল ভাষাত **আপোনাৰ-বাবে-নতুন জীৱন** নামেৰে এখন ৭০ পৃষ্ঠাজোৰা পাঠ্যক্ৰমৰ কিতাপ আগবঢ়াইছো এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। এই পাঠ্যক্ৰম কেৱল ভাৰতত থকা প্ৰাৰ্থীসকলৰ বাবে।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দুৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

***For more details, write to us.***

The Chairman, Nehemiah Bible College,
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

### মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

### TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us, along with your Aadhar Number and PAN for getting Income Tax Exemption.

| | | |
|---|---|---|
| Account Name | : | ECHO OF HIS CALL EDUCATIONAL TRUST |
| Account Number | : | 1023 2923 805 |
| Bank Name | : | STATE BANK OF INDIA |
| Branch | : | TRIPLICANE, CHENNAI - 600 005 |
| IFSC Code | : | SBIN 0000249 |
| SWIFT Code | : | SBI NIN BB 455 |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**

## আপুনি এশগুণ লাভ কৰিব আৰু অনন্তকলীয়া জীৱনৰ উত্তৰাধিকাৰী হ'ব

*যি যি কাৰ্য্য তোমাৰ হাতত পৰে, তাক যত্নেৰে কৰিবা... উপদেশক ৯:১০ পদ।*

*যি জনে বতাহলৈ চায়; তেওঁ কঠীয়া নিসিঁচিব আৰু যি কোনোৱে মেঘলৈ দৃষ্টি কৰে, তেওঁ শস্য নাদাব।*

*- উপদেশক ১১:৪ ।*

বাইবেলৰ যোগাযোগ পাঠ্যক্ৰম আৰু বাইবেল কলেজৰ জৰিয়তে সকলো শ্ৰেণীৰ লোকক বাইবেলৰ গভীৰ সত্যসমূহ শিকোৱাটো মোৰ বহুদিনৰ পৰাই ইচ্ছা আছিল। এই বোজা মোৰ হৃদয়ত গভীৰভাৱে শিপাই আছিল আৰু বছৰ বছৰ ধৰি শক্তিশালী হৈ আহিছিল। কিন্তু মই নিজে অসহায় হৈ পৰিলোঁ, কিয়নো মোৰ হাতত আয়ৰ কোনো উৎস নাছিল বা এই দৃষ্টিভংগীত মোক পথ প্ৰদৰ্শন আৰু সহায় কৰিবলৈ কোনো নাছিল। সেই সময়ছোৱাত মই আৰু মোৰ পৰিয়ালটো অতি কম সা-সুবিধা থকা সৰু ঘৰ এটাত অতি কষ্ট সহ্য কৰি দৰিদ্ৰতাত জীৱন কটালোঁ।



১৯৮০ চনত ইণ্ডিয়া বাইবেল লিটাৰেচাৰ (আই বি এল) নামৰ এটা সংস্থাৰ পৰা গছপেল পেকেট এটা পাইছিলোঁ। সেইবোৰ পঢ়ি থাকোঁতে মই একেধ্বৰণৰ মিলাৰ সামগ্ৰী ব্যৱহাৰ কৰি সমগ্ৰ ভাৰতৰ মানুহৰ ওচৰলৈ বিভিন্ন ভাষাত যোগাযোগ কৰিবলৈ গভীৰ আগ্ৰহী হৈ পৰিলোঁ। পলম নকৰাকৈয়ে মোৰ পুৰণি চাইকেলখনেৰে চেন্নাইৰ থাউজেণ্ড লাইটছত থকা ইণ্ডিয়া বাইবেল লিটাৰেচাৰ অফিচলৈ গ'লোঁ।



তাতেই মিষ্টাৰ ভেলু নামৰ এজন যুৱকক লগ পালোঁ, যাক মিষ্টাৰ ভেলায়ুথাম বুলিও কোৱা হয়, যি এতিয়া কাৰ্যবাহী সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁ যোগাযোগ পাঠ্যক্ৰমৰ কিতাপবোৰ সযতনে পেক কৰি প্ৰেৰণ কৰা চাই মোক ঈশ্বৰৰ মহিমাৰ বাবে একেধ্বৰণৰ কাম কৰিবলৈ অনুপ্ৰাণিত কৰিলে।

মই সন্মানেৰে তেওঁৰ ওচৰলৈ গৈ সুধিলোঁ যে তেওঁ মোক কিছুমান পাঠ্যক্ৰমৰ কিতাপ দিব পাৰিবনে? তেওঁ মোক জনাইছিল যে প্ৰতিখন কিতাপৰ দাম ৫০ পইচা (আধা টকা)। মই বুজাই দিলোঁ যে মই এটা দুখীয়া পৰিয়ালৰ পৰা আহিছো আৰু চৰকাৰী বিভাগ এটাত কৰ্মৰত আছো। সামান্য মাহিলী দৰমহা। মোৰ পৰিস্থিতিত আপ্লুত হৈ তেওঁ মোক বিনামূলীয়াকৈ দহখন কিতাপ উদাৰতাৰে দিলে।

তথাপি মই সন্তুষ্ট হোৱা নাছিলোঁ। ডিচপেচ হলৰ ভিতৰত থুপ খাই থকা বহুত কিতাপবোৰলৈ খিৰিকীৰে চাই দেখিলোঁ, এনে লাগিল যেন তেওঁলোকে লৈ গৈ খ্ৰীষ্টৰ জ্ঞানৰ প্ৰয়োজন হোৱা লোকসকলৰ হাতত তুলি দিবলৈ আহ্বান জনাইছে। মই নিজে গৈ আনিব পৰা নাছিলো।


কিছু সময়ৰ পাছত আন এজন ভদ্ৰলোকে মোৰ ওচৰলৈ আহি সুধিলে, “তুমি কোন, আৰু ইমান সময় ইয়াত থিয় হৈ আমাৰ অফিচৰ ভিতৰলৈ কিয় চাই আছা?” মই বুজাই দিলোঁ যে মই এজন সীমিত সামৰ্থ্যৰ মানুহ, জীৱন্ত ঈশ্বৰ যীচু খ্ৰীষ্টৰ সেৱা কৰাৰ অতি ইচ্ছা আৰু মই অধিক যোগাযোগ পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব বিচাৰো। তেওঁ মোক ক'লে যে মই প্ৰয়োজনীয় টকা আনিলে সেইবোৰ ক্ৰয় কৰিব পাৰিম।

সেই মুহূৰ্তত মই এটা কঠিন সিদ্ধান্ত লৈছিলো - মোৰ একমাত্ৰ সম্পত্তি আৰু যাতায়তৰ মাধ্যম মোৰ পুৰণি চাইকেলখন বিক্ৰী কৰিবলৈ বাছি লৈছিলো।




লগে লগে ওচৰৰ চাইকেল মেৰামতি কৰা দোকান এখনলৈ গৈ চাইকেলখন এশ টকাত বিক্ৰী কৰি দিলোঁ আৰু দুশখন যোগাযোগ পাঠ্যক্ৰমৰ কিতাপ ক্ৰয় কৰিছিলো। মোৰ একমাত্ৰ ভ্ৰমণৰ উপায় বিক্ৰী কৰি কিতাপবোৰ কান্ধত লৈ ফুৰিলোঁ আৰু প্ৰায় পাঁচ কিলোমিটাৰ খোজ কাঢ়ি গ'লো।

ইমান গধুৰ বোজা কঢ়িয়াবলৈ মোৰ অভ্যাস নথকাৰ বাবে মই অতি সোনকালেই ক্লান্ত হৈ পৰিলো। দুবাৰকৈ কিতাপবোৰ কান্ধৰ পৰা পিছলি গৈ ৰাস্তাত পৰিল। সংগ্ৰামৰ সময়ত একাংশ লোকে মোক উপহাস কৰাৰ লগে লগে মই নিজকে অসহায় আৰু অপমানিত অনুভৱ কৰিলোঁ। তথাপিও ঈশ্বৰৰ কৃপাত মই নিৰাপদে ঘৰ পালোঁ আৰু মোৰ সমস্ত শক্তিৰে কিতাপবোৰ বিতৰণ কৰিবলৈ ধৰিলোঁ।



প্ৰয়াত পালক এম. পলৰাজৰ সহযোগত ঈশ্বৰে মোক "আপোনাৰ বাবে নতুন জীৱন।" যোগাযোগৰ পাঠ্যক্ৰম দিলে। পিছলৈ আমি তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি নহিমিয়া সন্ধ্যা বাইবেল কলেজ স্থাপন কৰিলোঁ।

হয়, মোৰ প্ৰিয় বন্ধু, এটা সময় আছিল যেতিয়া ঈশ্বৰৰ ৰাজ্যৰ স্বাৰ্থত মোৰ পুৰণি চাইকেলখনৰ পৰা বিদায় ল'বলগীয়া হৈছিল। মোৰ পৰিয়াল আৰু বন্ধু-বান্ধৱীয়ে ইয়াক মূৰ্খামি আৰু অজ্ঞানতাৰ কাম বুলি গণ্য কৰিছিল আৰু মই সেই সিদ্ধান্তৰ বাবেই বহুত লাভবান হৈছিলো। তথাপিও আজি ঈশ্বৰে মোৰ তেওঁৰ পৰিচৰ্যাত সহায় কৰিবলৈ বাহন আৰু বিশ্বাসী সহকৰ্মীৰে আশীৰ্বাদ কৰিছে।



এটা সময় আছিল যেতিয়া মই ব্যক্তিগতভাৱে কান্ধ আৰু মূৰত গছপেল সাহিত্য কঢ়িয়াই লৈ ফুৰিছিলো। যৌৱনৰ এক বেদনাদায়ক আৰু অপমানজনক অভিজ্ঞতা আছিল। কিন্তু আজি ঈশ্বৰে মোক কঢ়িয়াই নিবলৈ আৰু গছপেলৰ সামগ্ৰী আৰু সেৱাৰ কৰ্মীসকলক লৈ যাবলৈ গাড়ী আৰু মিনিবাছৰ ব্যৱস্থা কৰি দিছে।

প্ৰিয় বন্ধু, আপোনাৰ জীৱনৰ বাবে আৰু আপোনাৰ ভৱিষ্যতৰ বাবেও ঈশ্বৰৰ এক অনন্য পৰিকল্পনা আছে। আপোনাৰ হাতত এতিয়াও সময় আছে। আপুনি প্ৰভুৰ ৰাজ্যৰ বাবে যিখিনি আত্মসমৰ্পণ কৰিব, সেয়া কেতিয়াও অসাৰ নহ'ব। যীচু খ্ৰীষ্টক আপোনাৰ আদৰ্শ হিচাপে লওক আৰু ৰাজ্যকেন্দ্ৰিক দৃষ্টিভংগীৰে তেওঁৰ পৰিচৰ্যাত বহুমূলীয়া কিবা এটা বিনিয়োগ কৰক। আপোনাৰ জীৱনৰ ওপৰত ঈশ্বৰৰ আশীৰ্বাদৰ অন্ত নাথাকিব। মনত ৰাখক ঃ

মাত্ৰ এটাই জীৱন; অতি সোনকালে ইয়াৰ অতীত হ'ব; খ্ৰীষ্ট যীচুৰ বাবে যি কৰা হৈছে সেয়াহে স্থায়ী হ'ব!

....Contd. from page 6

মনে সংগ্ৰাম কৰি থকা কাৰোবাক শক্তিশালী কৰক।

কেতিয়াবা ঈশ্বৰে আমাক ধুমুহাৰ মাজেৰে পাৰ হ'বলৈ দিয়ে যাতে আমাৰ সাক্ষ্য আন এজন ব্যক্তিৰ স্বাধীনতাৰ পথ হৈ পৰে।

পৌল আৰু চীলক স্মৰণ কৰক। যেতিয়া তেওঁলোকক কাৰাগাৰত বন্দী কৰি শিকলিৰে বান্ধি ৰখা হৈছিল, তেতিয়া তেওঁলোকে হতাশাৰ ওচৰত আত্মসমৰ্পণ কৰা নাছিল। বৰঞ্চ তেওঁলোকে আৰাধনা কণ্ঠস্বৰ তুলিছিল।

বাইবেলে কৈছে ঃ

**মাজনিশা পৌল আৰু চীলে প্ৰাৰ্থনা কৰি ঈশ্বৰৰ গীত গাই আছিল আৰু বন্দীসকলে তেওঁলোকৰ কথা শুনি আছিল।** পাঁচনিৰ কৰ্ম ১৬:২৫।

আপোনাৰ চৌপাশৰ যিসকলে ভয়, মিছা, শত্ৰুৰ পৰিকল্পনাত আবদ্ধ হৈ আছে, তেওঁলোকে আপোনাক ধুমুহাৰ মাজেৰে খোজ কাঢ়ি যোৱাৰ সময়ত শুনি আছে।

কি শুনি আছে তেওঁলোকে?

তেওঁলোকে উপাসনা, বিশ্বাস আৰু বিজয় শুনিছেনে?

নে তেওঁলোকে ভয়, অভিযোগ আৰু নিৰুৎসাহ শুনিছে?

তাৰ পিছত হঠাতে ঃ

এটা ডাঙৰ ভূমিকম্প হ'ল, তাতে বন্দীশালৰ মূলবোৰ লৰিল আৰু তেতিয়াই আটাই দুৱাৰ মুকলি হ'ল আৰু সকলোবোৰ বান্ধ মুকলি হ'ল। পাঁচনিৰ কৰ্ম ১৬:২৬।

মোৰ মৰমৰ ভাই-ভনীসকল, শব্দটো লক্ষ্য কৰক ঃ

"সকলোৰে।"

কেৱল পৌল আৰু চীলে নহয় সকলোৱে স্বাধীনতা পাইছিল।

তেওঁলোকৰ ওচৰত থকা চিনাকি আৰু অচিনাকি বন্দীসকলে স্বাধীনতা অনুভৱ কৰিছিল কাৰণ ঈশ্বৰৰ দুজন সেৱকে দুখ-কষ্টৰ মাজতে উপাসনাক বাছি লৈছিল।

সেইটোৱেই হৈছে ঈশ্বৰৰ অনুগ্ৰহৰ শক্তি।

আপোনাৰ আৰাধনা সেই চাবি হৈ পৰিব পাৰে যিটোৱে শিকলিবোৰৰ তলা খুলি দিয়ে যিবোৰ আপুনি হয়তো আৰু কেতিয়াও দেখা নাপাবও পাৰে। আমেন।

## সকলোৰে বাবে স্বাধীনতা

যীচু খ্ৰীষ্টই আমাৰ প্ৰত্যেককে তেওঁৰ স্বাধীনতাৰ আহিলা হ'বলৈ মাতিছে যাতে শত্ৰুৰ পৰিকল্পনা, প্ৰতাৰণা, ভয় আৰু আন্ধাৰৰ দ্বাৰা বান্ধ খাই থকাসকলৰ ওচৰলৈ যাব পাৰো।

সৰু সৰু নাওবোৰ এতিয়াও আমাৰ চাৰিওফালে আছে। বিচাৰি ফুৰিছে। শান্তিৰ বাবে হাহাকাৰ কৰি আছে। তেওঁলোকে যীচু খ্ৰীষ্টৰ বাস্তৱতা চাবলৈ অপেক্ষা কৰি আছে।

আপুনি আৰু মই হয়তো তেওঁলোকে সন্মুখীন হোৱা যীচু খ্ৰীষ্টৰ প্ৰতিফলন।

কেৱল নিজৰ নাওত যীচু খ্ৰীষ্টক লৈ সন্তুষ্ট নহ'ব। আপোনাৰ চাৰিওফালে থকা সৰু সৰু নাওবোৰকো তেওঁৰ প্ৰয়োজন।

ঈশ্বৰে আমাক আমাৰ চৌপাশৰ লাখ লাখ লোকক তেওঁৰ স্বাধীনতা লাভ কৰিবলৈ সক্ষম কৰক, যাৰ বহুতকে হয়তো আমি অনন্তকাললৈ কেতিয়াও লগ নাপাম। ঈশ্বৰে আমাক সেইসকলৰ বাবে প্ৰকৃত স্বাধীনতা যুঁজাৰু হ'বলৈ মাতিছে যিসকলে এতিয়াও সৰু সৰু নাওবোৰত আছে, যীচু খ্ৰীষ্টৰ উপস্থিতি অবিহনে নাও চলাই আছে।

***সৰু সৰু নাওবোৰলৈ সোঁৱৰণ কৰক !!***

*************

### জাননী

আমাৰ মোবাইল নম্বৰ (+৯১) ৯৮৪১০৭১৮৫৮,(+৯১)৯৮৪১২৭১৮৫৮ (মূল নম্বৰ) আপোনাৰ মোবাইল ফোনত সংৰক্ষণ কৰক।

-- সম্পাদক।

Posted at "Egmore RMS Patrika Channel" RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

## OUR QR CODE:

ECHO OF HIS CALL

Scan to pay with any UPI app

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বহিবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেবা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা | জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.org

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/24-26**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS Patrika Channel"**
**on 12th AUGUST 2026**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**